# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 01-07-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৰা বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ পৰিয়ালে আগবঢ়োৱা আলোকচিত্ৰ আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হয়।

অষ্ট সপ্ততিতম প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰা হয়।

প্ৰতিষ্ঠা দিৱস উপলক্ষে সন্ধিয়া ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত ‘ওপজা দিনৰ সুবাস’ শীৰ্ষক সংগীতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হয়। আকাশবাণী গুৱাহাটীৰ কথাশিল্প অনুষ্ঠানত প্ৰচাৰ কৰা ড০ ৰুবুল মাউটৰ **মোৰো এটা সপোন আছে** গ্ৰন্থখনৰ ধাৰাবাহিক পাঠৰ শীৰ্ষ গীত দুটিৰ লিৰিকেল ভিডিঅ’ আজি মুকলি কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটোত আকাশবাণী গুৱাহাটীৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত স্বনামধন্য ব্যক্তিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে অনুষ্ঠানটোৰ প্ৰতিগৰাকী কৰ্মকৰ্তা তথা শ্ৰোতালৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ আকাশবাণী গুৱাহাটী বুলিলেই বহু নষ্টালজিয়া ভাহি আহে বুলি অৱগত কৰিছে। আকাশবাণী গুৱাহাটী এটা আৱেগৰ নাম বুলি উল্লেখ কৰি ড০ শৰ্মাই শৈশৱ আৰু কৈশোৰৰ বহু স্মৃতি জড়িত হৈ আছে বুলি প্ৰকাশ কৰে।

০০০০

ৰাজ্যত ২০২৪-২৫ খাৰিফ বিপনন বৰ্ষত বৰ্তমানলৈকে অভিলেখ পৰিমাণৰ ৬ লাখ ৯৭ হাজাৰ মেট্ৰিকটন ধান ক্ৰয় কৰা হৈছে। এই পৰিমাণ যোৱা বছৰৰ তুলনাত ১২২ শতাংশ অধিক। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই কৃতিত্বই কৃষকসকলক বজাৰৰ সৈতে সংযুক্ত কৰা আৰু তেওঁলোকে ন্যূনতম সমৰ্থনমূল্য লাভ কৰাটো সুনিশ্চিত কৰাৰ প্ৰতি ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰিছে। তেওঁ লগতে ধান ক্ৰয় প্ৰক্ৰিয়াৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০

গোলাঘাট ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কনভয়ক লক্ষ্য কৰি প্লাষ্টিকৰ বটল নিক্ষেপ কৰা ঘটনা সংক্ৰান্তত আৰক্ষীয়ে কংগ্ৰেছ কৰ্মীসহ ছজন লোকক আটক কৰিছে। আটক কৰা সকলৰ ভিতৰত গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সম্পাদক পল্লব চেতিয়া আৰু ব্লক কংগ্ৰেছৰ প্ৰাক্তন সম্পাদকৰ পুত্ৰ ৰাহুল ফুকনো আছে। বিজেপিয়ে এই ঘটনাক গৰিহণা দি আজি ডিব্ৰুগড়ত প্ৰতিবাদ সাব্যস্ত কৰে। গোলাঘাটৰ বিধায়ক বিশ্বজিত ফুকনে জৰুৰীকালিন অৱস্থা আৰু ১৯৮৩ চনৰ নিৰ্বাচনৰ উদাহৰণ দি এই কাৰ্যক কংগ্ৰেছৰ বিঘটনকামী ৰাজনীতি বুলি অভিহিত কৰিছে। কংগ্ৰেছে অৱশ্যে এই অভিযোগ খণ্ডন কৰিছে। কংগ্ৰেছৰ মুখপাত্ৰ ঋতুপৰ্ণ কোঁৱৰে এই ঘটনাৰ এঘণ্টা পূৰ্বেই গৰু চুৰিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়ত যুৱ কংগ্ৰেছৰ ৪ গৰাকী সদস্যক অবৈধভাৱে আটক কৰা বুলি দাবী কৰে। তেওঁ লগতে ঘটনাস্থলীত উপস্থিত নাথাকিলে তেওঁলোকে কেনেকৈ বটল দলিয়াব পাৰে বুলি প্ৰশ্ন উত্থাপন কৰে।

০০০০

ৰাজ্যত নিষিদ্ধ গো-মাংস বিৰোধী অভিযান অব্যাহত আছে। ৰাজ্যৰ কেইবাখনো জিলাত আজি এই সন্দৰ্ভত আৰক্ষী, জিলা প্ৰশাসন আৰু জিলা পশু চিকিৎসা বিভাগে অভিযান চলায়।

কামৰূপ মহানগৰ আৰক্ষীয়ে আজি জিলাখনৰ ছয়মাইল, সাতগাঁও, হাতীগাঁৱৰ কেইবাটাও স্থানত অভিযান চলাই নিষিদ্ধ গো-মাংস জব্দ কৰাৰ লগতে কেইবাজনো লোকক আটক কৰিছে। জালুকবাৰী আৰক্ষীয়েও ভৰলুমুখ আৰু আদাবাৰীত অভিযান চলাই যথেষ্ট পৰিমাণৰ গো-মাংস জব্দ কৰি ইয়াৰ সৈতে জড়িত চাৰিজন লোকক আটক কৰে। একেদৰে কামৰূপ আৰক্ষীয়ে বকো, ছয়গাওঁ, ৰঙিয়াৰ ১৭ খন হোটেলত অভিযান চলাই বুজন পৰিমাণৰ গো-মাংস জব্দ কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত ১৭ জন লোকক আটক কৰে।

বৰপেটা আৰক্ষীয়েও জিলাখনৰ ৪খন হোটেলত অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ গো-মাংস জব্দ কৰে। আইন উলংঘা কৰি গো-মাংস বিক্ৰী চলাই থকা এই চাৰিওখন হোটেলৰ পৰা আইন ভংগৰ অভিযোগত বৰপেটা আৰক্ষীয়ে চাৰিজন লোকক আটক কৰে। হোটেল কেইখনৰ বিৰুদ্ধে অসম পশুধন সংৰক্ষণ আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

শিৱসাগৰত আজি দুখনকৈ হোটেলত শিৱসাগৰ আৰক্ষী, জিলা প্ৰশাসন আৰু পশু চিকিৎসা বিভাগে অভিযান চলাই কেইবা কিলোগ্ৰাম সন্দেহজনক গো-মাংস জব্দ কৰে। হোটেল দুখনৰ স্বত্বাধিকাৰী দুজনক আৰক্ষীয়ে সোধ-পোচৰ বাবে আটক কৰিছে।

ইয়াৰ উপৰি কোকৰাঝাৰ, লখিমপুৰ আৰু ডিব্ৰুগড়ত জিলাতো আজি আৰক্ষী প্ৰশাসনে গো-মাংস বিৰোধী অভিযান চলায়।

০০০০

ৰাজ্যৰ ছপা উদ্যোগৰ অগ্ৰণী ব্যক্তি শৰাইঘাট অফছেট প্ৰেছৰ স্বত্তাধিকাৰী নৃপেন শৰ্মাৰ আজি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৬ বছৰ।

০০০০

সমাপ্ত